আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MARCH 16, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭৮ | Guwahati, Assam ।। মূল্যঃ এটকা

## ৮ শতাংশ কিশোৰীৰ ভাল দিন হ’বনে?




■ দিগন্ত শৰ্মা

**চৈধ্য বছৰ** বয়সলৈকে প্ৰতিটো শিশুৰ বাবে শিক্ষা প্ৰদান বাধ্যতামূলক কৰা হৈছে। আনহাতে শিক্ষা এক মৌলিক অধিকাৰ। ইয়াৰ পিছতো অসমত কেইবা সহস্ৰ কিশোৰী তথা কন্যা শিশুয়ে প্ৰাথমিক শিক্ষা আধাতে এৰিবলগীয়া হৈছে শেষাংশ ৩ পৃষ্ঠাত

## ‘এক্স’ত নিৰ্বাচন আয়োগৰ পোষ্ট, বিয়লি ৩ বজাত হ’ব সংবাদমেল

# ভোট কেতিয়া? আজি ক’ব আয়োগে




Election Commission of In...
@ECISVEEP
Follow
CEC Rajiv Kumar will address the Press Conference on General Elections 2024 together with EC's Gyanesh Kumar and Sukhbir Singh Sandhu on 16th March, 2024 (3 PM).

নতুন দিল্লী, ১৫ মাৰ্চঃ **দীৰ্ঘ জল্পনা-কল্পনাৰ অৱসান ঘটাই কাইলৈ দেশৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিব নিৰ্বাচন আয়োগে। কাইলৈ দিনৰ তিনি বজাত দিল্লীত সংবাদমেল সম্বোধন কৰিব দেশৰ** শেষাংশ ৬ পৃষ্ঠাত

## ইউডিএফে তিনি সমষ্টিত দিলে প্ৰাৰ্থী

**ই-সংবাদ, ১৫ মাৰ্চঃ** ৰাজ্যত সাম্প্ৰদায়িক ৰাজনীতি কৰি অহাৰ অভিযোগ উত্থাপন হৈ অহা বদৰুদ্দিন আজমলে পূৰ্বৰে পৰা ৰাজ্যৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত তিনিটা সমষ্টিত শেষাংশ ৪ পৃষ্ঠাত

## লুৰীণজ্যোতি গগৈক ডিব্ৰুগড়ৰ প্ৰাৰ্থী ঘোষণা
### আছু বনাম আছুৰ যুঁজ!

ই-সংবাদ, ১৫ মাৰ্চঃ অসম জাতীয় পৰিষদক ডিব্ৰুগড় আসন এৰি দিয়াৰ সিদ্ধান্তত আজি মোহৰ লাগিল। কংগ্ৰেছৰ বহু নেতা নাৰাজ হৈ থকাত জল্পনা-কল্পনাৰ অন্ত পেলাই আজি ডিব্ৰুগড় আসন এজেপিৰ হাতলৈ যোৱাটো খাটাং হ’ল। কিয়নো আজি ডিব্ৰুগড় সমষ্টিত লুৰীণজ্যোতি গগৈ প্ৰাৰ্থী ৰূপে ঘোষণা শেষাংশ ২ পৃষ্ঠাত

## খালেকেও এৰি গ’ল দল

**ই-সংবাদ, ১৫ মাৰ্চঃ** প্ৰাৰ্থিত্ব নাপাই দলৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃত্বৰ বিৰুদ্ধে অসন্তুষ্ট হৈ পৰিছে বৰপেটাৰ সাংসদ আব্দুল খালেক। কংগ্ৰেছে দ্বিতীয়খন প্ৰাৰ্থী তালিকাত অসমৰসমষ্টিসমূহৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ পাছতে শেষাংশ ৪ পৃষ্ঠাত

## মীৰাৰ কাষত ভৱেন

# ৰাজ্যৰ ভিতৰতে ‘হিট’ সমষ্টি’ত পৰিণত যোৰহাট

**ই-সংবাদ বিশেষ, ১৫ মাৰ্চঃ** ৰাজ্যৰ ভিতৰত হিট সমষ্টিত পৰিগণিত হৈছে যোৰহাট লোকসভা সমষ্টি। দ্বিতীয় তালিকাত কংগ্ৰেছে অসমৰ প্ৰাৰ্থীসকলৰ নাম সন্নিবিষ্ট কৰাৰ পাছৰে পৰা যোৰহাট সমষ্টি হিট সমষ্টি হৈ পৰিছে। কংগ্ৰেছে যোৰহাট সমষ্টিত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰৰ তথা কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈক প্ৰাৰ্থীত্ব দিয়াৰ পাছতে যোৰহাটৰ কংগ্ৰেছ নেতা-কৰ্মীসকল ব্যাপক শেষাংশ ২ পৃষ্ঠাত

### আঠখেলীয়া নামঘৰত শৰাই আগবঢ়াই প্ৰচাৰ আৰম্ভ গৌৰৱ গগৈৰ





## গুৱাহাটী ত্যাগ ‘আপ’ৰ

**ই-সংবাদ, ১৫ মাৰ্চঃ** অসমৰ বিৰোধী ঐক্য মঞ্চ ইতিমধ্যেই লেবেজান হৈ পৰিছে। আপে বিৰোধী ঐক্য মঞ্চৰ আদৰ্শক জলাঞ্জলি দি বহু পূৰ্বেই ডিব্ৰুগড়, শোণিতপুৰ, গুৱাহাটী শেষাংশ ৪ পৃষ্ঠাত

## ছুপ্ৰিম ক’ৰ্টত ১৯ মাৰ্চত ‘কা’ক লৈ শুনানি

**নতুন দিল্লী, ১৫ মাৰ্চঃ** অসমৰ লগতে দেশৰ প্ৰায় ২০০ দল-সংগঠনে কেন্দ্ৰীয় চৰকাৰে বলৱৎ কৰা ‘কা’ৰ বিধি স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আৰ্জি দিছে। অসমৰ আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কংগ্ৰেছকে শেষাংশ ৪ পৃষ্ঠাত

## বিআৰএছৰ নেত্ৰী কবিতাক গ্ৰেপ্তাৰ ইডিৰ



**নতুন দিল্লী, ১৫ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ সময় চমু চপাৰ সময়তে পুনৰ গ্ৰেপ্তাৰ হ’ল অ-বিজেপি শাসিত ৰাজ্যৰ আন এগৰাকী বিৰোধী নেতা। তেলেংগানাত কংগ্ৰেছ চৰকাৰৰ এশ দিন সম্পূৰ্ণ হোৱাৰ ঠিক পূৰ্বে আজি দিল্লী সুৰা নীতি গোচৰত শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ ভিতৰতে 'হিট সমষ্টি'

তৎপৰ হৈ পৰিছে। কংগ্ৰেছে বিজেপিৰ নেতা তথা বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈক প্ৰত্যাহ্বান জনাব পৰা নেতা থিয় কৰোৱাত কংগ্ৰেছৰ নেতা-কৰ্মী উৎসাহী হোৱা দেখা গৈছে। এইবাৰ যুঁজ শক্তিশালী হ'ব আৰু বিজেপিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বুলি ৰাইজেও মানি লৈছে। গৌৰৱ গগৈয়ে পানী ঘোলি কৰিব বুলি সকলোৱে অনুমান কৰিছে ৰাজনীতিৰ খবৰ ৰখা মহলে। কিয়নো কেৱল প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ হিচাপেই নহয়, ৰাষ্ট্ৰীয় পৰ্যায়ত এগৰাকী সুদক্ষ নেতা হিচাপে পৰিচিত হৈছে গৌৰৱ গগৈ। সদনত সাহসেৰে নিজ ৰাজ্যখনৰ কথা তুলি ধৰা, বাকপতুতাৰে শাসকীয় পক্ষক ধৰাশায়ী কৰা, প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীক সমালোচনা কৰি নিজকে অসমৰ অন্যতম শক্তিশালী নেতা ৰূপে প্ৰতিষ্ঠা কৰিছে গৌৰৱ গগৈয়ে। এই কথা হয়তো অসমৰ লোকে মানি ল'ব। গৌৰৱ গগৈয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত নিজকে এজন স্বীকৃত নেতা ৰূপে প্ৰতিষ্ঠা কৰাত সফল হৈছে। গৌৰৱ গগৈয়ে কলিয়াবৰ তথা কাজিৰঙা সমষ্টি এৰি যোৱাৰ পাছতে যোৰহাট হেভিৱেট সমষ্টিত পৰিণত হৈছে। শাসকীয় বিজেপি দলে যোৰহাট সমষ্টিক অত্যন্ত গুৰুত্বসহকাৰে ল'বলৈ বাধ্য হৈছে। বিজেপিৰ হাতৰ পৰা যদি যোৰহাট সমষ্টি গুচি যায় তেন্তে এয়া শাসকীয় দল তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাবে আত্মসন্মানৰ প্ৰশ্ন হৈ পৰিব। ৰাজ্যত কেইবালাখ হিতাধিকাৰী সৃষ্টিৰ পাছতো যদি যোৰহাটৰ দৰে সমষ্টিত বিজেপিয়ে পৰাজিত হ'বলগীয়া হয় তেন্তে অনাগত দিনত বিজেপিৰ জনপ্ৰিয়তাক লৈ প্ৰশ্ন কৰি বিৰোধীয়ে প্ৰচাৰৰ সুবিধা ল'ব পাৰে। বিজেপিৰ বাবে এতিয়া যোৰহাট সমষ্টিক লৈ আত্মসন্মানৰ প্ৰশ্ন আহি পৰিছে। বিগত দুটা দিন যোৰহাট সমষ্টিতে বাহৰ পতা গৌৰৱ গগৈয়ে বিভিন্ন ক্ষেত্ৰৰ লোকক সাক্ষাৎ কৰি প্ৰচাৰ আৰম্ভ কৰিছে। বিভিন্ন সাংস্কৃতিক দলে নাচি-বাগি গগৈক আদৰণি জনাইছে। আজি গৌৰৱে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত চাকি-ধূপ, শৰাই আগবঢ়াই আশীষ লয়। শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত চাকি-ধূপ, শৰাই আগবঢ়াই আশীষ লৈ গৌৰৱ গগৈয়ে ভাল কামৰ বাবে আঠখেলীয়া নামঘৰলৈ আহি সৎ মনেৰে ৰাইজৰ আশীৰ্বাদ বিচাৰিছো বুলি কয়। এইবাৰৰ নিৰ্বাচন আবেগৰ নিৰ্বাচন বুলি উল্লেখ কৰি গগৈয়ে 'কা' আইন যিদৰে বলৱৎ কৰিছে, এইবাৰ মানুহৰ জাতীয় আবেগ জাগিছে। গগৈয়ে কলিয়াবৰ সমষ্টিক লৈ দুখ প্ৰকাশ কৰি কলিয়াবৰ সমষ্টিক থান-বান কৰাৰ অভিযোগ উত্থাপন কৰে। গৌৰৱে কয় যে এই সমষ্টিটোত আমাৰ পৰিয়ালে ৩০ বছ ধৰি জয়ী হৈ আহিছে। যাৰ বাবে নিৰ্বাচনী আয়োগৰ সহায় লৈ সমষ্টিটো থানবান কৰিলে। তেতিয়াই মই দলক কৈছিলো দলে য'ত থিয় কৰাই তাতেই নিৰ্বাচন খেলিম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লুৰীণজ্যোতি গগৈক ডিব্ৰুগড়ৰ

কৰিছে অসম জাতীয় পৰিষদে। কংগ্ৰেছ, চিপিআইএমল, চিপিআই, ফৰৱাৰ্ড ব্লক, হিলছ পাৰ্টীৰ নেতৃত্বৰ উপস্থিতিত গুৱাহাটীত লুৰীণজ্যোতি গগৈক প্ৰাৰ্থী ৰূপে ঘোষণা কৰা হয়। প্ৰাৰ্থী ঘোষণা কৰে অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ ভূঞাই। লুৰীণজ্যোতি গগৈৰ টিকটত মোহৰ লগাই বিৰোধী ঐক্য মঞ্চই বিজেপি বিৰোধী মৰ্চা শক্তিশালী হৈ থকা বুলি বাৰ্তা দিবলৈ প্ৰয়াস কৰে। এজেপিয়ে ডিব্ৰুগড় সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিবলৈ অনুষ্ঠিত কৰাত সভাত ভূপেন বৰাই কংগ্ৰেছৰ শাসনকালত অসমৰ আঞ্চলিক দলসমূহ শক্তিশালী হৈ আছিল বুলি দাবী কৰে। গণশক্তি দল আৰু বিপিএফ দলৰ উদাহৰণ দি ভূপেন বৰাই কয় যে আমাৰ দিনত বিপিএফ দল আৰু গণশক্তি গল শক্তিশালী আছিল। অকলে জোনাই সমষ্টি জয়ী হৈ আহিছিল। এনে কৰাৰ ফলত সেই ঠাইবোৰত কংগ্ৰেছৰ সাংগঠনিক ভেঁটি অতি দুৰ্বল হৈ পৰিছিল। কিন্তু আমি আঞ্চলিক দল দুৰ্বল হ'বলৈ দিয়া নাছিলো। কিয়নো আমিও একোগৰাকী অসমীয়া। জাতীয়তাবাদী শক্তিশালী হৈ থকাটো আমিও বিচাৰো। ইপিনে লুৰীণজ্যোতি গগৈৰ প্ৰাৰ্থীত্ব ঘোষণাৰ পাছতে ডিব্ৰুগড়ত উৎসৱমুখৰ পৰিবেশ দেখা যায়। সমৰ্থকসকলক বিহু গাই নাচি-বাগী মতলীয়া হোৱা দেখা যায়। ডিব্ৰুগড়ত বাহৰ পাতি থকা লুৰীণজ্যোতি গগৈক ঢোল-তাল বজাই ৰাইজে আদৰণি জনায়। লুৰীণজ্যোতি গগৈয়ে ৰাইজৰ আৰ্শীবাদ লৈ এই যুঁজত অৱতীৰ্ণ হোৱাৰ দাবী কৰে। জাতীক সুৰক্ষিত কৰিব নোৱাৰা লোকৰ জাতিক ভোট খোজাৰ অধিকাৰ নাই বুলি সৰ্বানন্দ সোণোৱালক আক্ৰমণ কৰে লুৰীণে। অসমৰ ভিতৰত ডিব্ৰুগড় লোকসভা সমষ্টিৰ যুঁজ সকলোতকৈ আকৰ্ষণীয় হৈ পৰিব বুলি ধাৰণা কৰা হৈছে। ডিব্ৰুগড় লোকসভা সমষ্টিত সাংসদ তথা কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ টিকট কৰ্তন বিজেপিয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আন এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। উল্লেখ্য যে, কংগ্ৰেছৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ এগৰাকী আছুৰ নেতা। আছুৰ সাধাৰণ সম্পাদক পদত দীৰ্ঘ সময় কাৰ্যনিৰ্বাহ কৰিছে। আনহাতে, সৰ্বানন্দ সোণোৱালো এগৰাকী আছুৰ নেতা। ১৯৯২ চনৰ পৰা ১৯৯৯ চনলৈ আছুৰ কেন্দ্ৰীয় সভাপতি আছিল সৰ্বানন্দ সোণোৱাল। আছুৰ দুয়োগৰাকী প্ৰাক্তন নেতাই ইজনে সিজনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছে। মুঠতে দুয়োগৰাকী নেতাক লৈ ভাগে ভাগে উৎসাহী ডিব্ৰুগড়ৰ জনতা। আজি নাম ঘোষণাৰ পাছতে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক লৈ একাংশ লোক উৎসাহিত হোৱা দেখা যায়। বিগত বিধানসভা নিৰ্বাচনত ডিব্ৰুগড় জিলাৰ দুটা সমষ্টি দুলীয়াজান আৰু নাহৰকটীয়া সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল লুৰীণজ্যোতি গগৈয়ে। কিন্তু দুয়ো সমষ্টিত পৰাজিত হৈছিল লুৰীণজ্যোতি গগৈ। কিন্তু ভোট লাভৰ শতাংশ আছিল চকুত লগা। এইবাৰ ডিব্ৰুগড় সংসদীয় সমষ্টিত কংগ্ৰেছ আৰু বামপন্থী দলসমূহৰ সহযোগত লুৰীণে দিল্লীলৈ যোৱাৰ সপোন দেখিছে। কিন্তু এই সপোন পূৰণ কৰাটো ইমানো সহজ নহ'ব। কিয়নো শাসকীয় দলৰ কেন্দ্ৰীয় মন্ত্ৰীৰ বিৰুদ্ধে নিৰ্বাচনত অৱতীৰ্ণ হৈছে লুৰীণজ্যোতি গগৈ। কিন্তু এটা কথা চৰ্চিত হৈছে যে সৰ্বাননন্দ সোণোৱালৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে থিয় দিয়া লুৰীণে হৰা-জিকা পাছৰ কথা কিন্তু ডিব্ৰুগড়ত পানী ঘোলা কৰাৰ পূৰ্ণ মাত্ৰাই সম্ভাৱনা আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৮ শতাংশ কিশোৰীৰ ভাল

শিক্ষা বিভাগৰ সাময়িক তথ্য অনুসৰি, শেহতীয়া ২০২২-২৩ বৰ্ষত নিম্ন প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰা ৩৪,২৯,৩২৮ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৮.৪৯ শতাংশ শিক্ষাৰ্থীয়ে আধাতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা এৰিছে। ইয়াৰে ভিতৰত প্ৰাথমিক শিক্ষানুস্থান আধাতে এৰা ছা ছাত্ৰী হৈছে ৮.০৩ শতাংশ। সেইদকে প্ৰাথমিক শিক্ষা খণ্ডত (ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে) নামভৰ্তি কৰা ১৮,০৯,২৯৪ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ১০.৩৩ শতাংশ শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় এৰিছে। ইয়াৰে ভিতৰত আধাতে বিদ্যালয় এৰা ছাত্ৰীৰ হাৰ হৈছে ৯.২০ শতাংশ। তাৎপৰ্যপূৰ্ণ যে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে থকা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ৩৪.২৯ লাখ শিক্ষাৰ্থীৰ ভিতৰত বিদ্যালয় অধাতে এৰাসকলৰ ৮.০৩ শতাংশ ছাত্ৰী হ'লে সেই সংখ্যা কিমান হব সেয়া খুউব সহজেই অনুমেয়। একেদৰে, উচ্চ প্ৰাথমিক খণ্ডতো আধাতে বিদ্যালয়ৰ এৰা ছাত্ৰীৰ সংখ্যা কেইবা হাজাৰ হব। অৰ্থাৎ ৰাজ্যখনৰ ১৪ বছৰ বয়সৰ তলৰ হাজাৰ হাজাৰ কিশোৰীয়েই বঞ্চিত হৈছে মৌলিক অধিকাৰ প্ৰাথমিক শিক্ষা লাভৰ পৰা। আনহাতে ২০২১-২২ বৰ্ষত আধাতে প্ৰাথমিক বিদ্যালয় এৰা শিক্ষাৰ্থীৰ এক পৰিসংখ্যাই ৰাজ্যৰ শিক্ষাখণ্ডৰ এক অন্য দিশ প্ৰতিফলিত কৰে। শিক্ষা বিভাগৰ তথ্য অনুসৰি, ২০২১-২২ বৰ্ষত দৰং জিলাৰ প্ৰাথমিক শিক্ষাৰ তিনিটা শিক্ষা খণ্ডৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা ৩৪৬৮ গৰাকী শিক্ষাৰ্থীয়েই আধাতে বিদ্যালয় এৰিছে। এটি বৰ্ষতে যদি তিনিহাজাৰ চাৰিশ শিক্ষাৰ্থীয়ে মাত্ৰ তিনিটা শিক্ষাখণ্ডৰ নিম্ন প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ পৰাই আতৰিছে তেনেহলে ১৪ বছৰ বয়সৰ তলৰ প্ৰতিটো শিশুক বাধ্যতামূলক শিক্ষা দানৰ নামত ব্যয় কৰা কোটি কোটি টকাৰ ফলাফল কি? উল্লেখযোগ্য যে দৰং জিলাখন হৈছে সমগ্ৰ দেশৰ ভিতৰতে নিৰ্বাচিত ১১৫ খন বহনক্ষম উন্নয়নৰ লক্ষ্যপ্ৰাপ্তিৰ সম্ভাৱনাপূৰ্ণ জিলা( Aspirational District) ৰ ভিতৰত অন্যতম এখন জিলা। যি খন জিলাত স্বাস্থ্য, পৰিপুষ্টি, কৃষি, আন্তঃগাঁথনি আৰু বিশেষভাৱে শিক্ষাৰ ক্ষেত্ৰত উন্নয়নৰ বাবে তৎকালীন আৰু ফলপ্ৰসূ পদক্ষেপ জিলা কৰ্মসূচীৰ জৰিয়তে গ্ৰহন কৰি উন্নতিৰ দিশত জিলাখনক আগবঢ়াই নিব লাগে চৰকাৰে। অতিকে গুৰুত্বপূৰ্ণ এই জিলাখনৰ শিক্ষাক্ষেত্ৰৰ পৰিমাপ সেয়ে অতিকে প্ৰয়োজন। সেয়ে এই দৰং জিলাক উদাহৰণ হিচাপে লওতে সংগ্ৰহ কৰা তথ্য অনুসৰি, জিলাখনৰ দলগাঁও-শিয়ালমাৰী প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ বিভিন্ন প্ৰাথমিক বিদ্যালয়ৰ -পৰা ২৪৮৯ গৰাকী শিক্ষাৰ্থীয়ে আধাতে নিম্ন প্ৰাথমিক শিক্ষা এৰিছে। অৰ্থাৎ এইসকল শিশুৰ বয়স ৬ বছৰৰ পৰা ১১ বছৰৰ ভিতৰত। ইয়াৰে ভিতৰত ৯৮ ২ গৰাকী ছাত্ৰী। একেদৰে জিলাখনৰ কলাইগাওঁ শিক্ষা খণ্ডৰ অন্তৰ্গত বিভিন্ন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা ৮০১ গৰাকী শিক্ষাৰ্থীয়ে আধাতে শিক্ষা গ্ৰহন সামৰি স্কুলৰ পৰা আতৰি গৈছে। ইয়াৰে ভিতৰত ছাত্ৰীৰ সংখ্যা হৈছে ৩১৮ গৰাকী। সেইদৰে, ছিপাঝাৰ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ ১৭৮ গৰাকী শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় এৰিছে। ইয়াৰে ভিতৰত ছাত্ৰীৰ সংখ্যা হৈছে ৬৬ গৰাকী। এই তিনিওটা শিক্ষাখণ্ডৰ অন্তৰ্গত মুঠ ৯৮০ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত ৮৩৫ খন বিদ্যালয়ৰ পৰা ২০২১-২২ বৰ্ষত এই ৩৪৬৮ গৰাকী শিক্ষাৰ্থীয়ে বিদ্যালয় এৰিছে আৰু ইয়াৰ ভিতৰত ছাত্ৰীৰ সংখ্যাই হৈছে ১৩৬৪ গৰাকী। এই সকল ছাত্ৰীৰ বয়স ৯ বছৰৰ পৰা ১১ বছৰ পৰ্যন্ত। বিভাগীয় তথ্য অনুসধি আধাতে বিদ্যালয় এৰা এই শিক্ষাৰ্থী সকল জিলাখনৰ ৩৭২ খন বিভিন্ন গাৱঁৰ। এই তথ্যই প্ৰমান কৰে শিক্ষা বিভাগে প্ৰাথমিক পৰ্যায়ত শিক্ষা বাধ্যতামূলক কৰাত সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। উল্লেখ্য যে এই শিক্ষাৰ্থীসকলৰ অধিক সংখ্যকে আধাতে বিদ্যালয় এৰাৰ প্ৰধান কাৰণ হৈছে দৰিদ্ৰতা। আনহাতে এচামে শ্ৰমিক পিতৃ মাতৃৰ সৈতে আন ঠাইলৈ কামৰ সন্ধানত যাবলগীয়া হৈছে। এচামে স্কুল এৰি বিভিন্ন স্থানত উপাৰ্জনমুখী কামত নিয়োজিত হৈছে। বিদ্যালয়লৈ আহ যাহৰ ক্ষেত্ৰত অসুবিধাৰ বাবেও বহু শিশুৱে আধাতে এৰিবলগীয়াত কৰে স্কুল। আনহাতে, আধাতে বিদ্যালয়ৰ শিক্ষা এৰা এনে শিশুসকলক পূণৰ শিক্ষানুস্থানক সৈতে সংযুক্ত কৰিবলৈ লাখ লাখ টকা ব্যয়ৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত 'জ্যোতি বিশেষ -প্ৰশিক্ষণ কেন্দ্ৰ' নামৰ বিভিন্ন কেন্দ্ৰ স্থাপন কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে বিভিন্ন প্ৰাথমিক বিদ্যালয়ক সৈতে প্ৰশিক্ষণ কেন্দ্ৰ সংলগ্ন কৰিছিল যদিও কিমান দূৰ 'শিক্ষাৰ জ্যোতি' বিলাব পাৰিছে- সেয়া দুৰ্বোধ্য হৈ পৰিছে। আনহাতে আধাতে বিদ্যালয়ৰ এৰা শিক্ষাৰ্থীক পূণৰ বিদ্যালয়লৈ ওভতাই আনিবৰ বাবে আৰু এই ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে একাংশ বিদ্যালয়ৰ পৰিচালনা সমিতি আৰু শিক্ষক গোটে কিছু পদক্ষেপ গ্ৰহন কৰি আহিছে। কিন্তু তাৰ পিছতো ৰাজ্যখনত বিদ্যালয় এৰিছে বহু শিশুৱে। যিটো অতিকে চিন্তনীয় বিষয়। যদি এখন ৰাজ্যৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ৩৪.২৯ লাখ শিক্ষাৰ্থীৰ ভিতৰত ৮.০৩ শতাংশ ছাত্ৰী, উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ১৮.০৪ লাখ শিক্ষাৰ্থীৰ ভিতৰত ৯.২০ শতাংশ ছাত্ৰীয়ে আধাতেই জীৱনৰ ১৪ টা বসন্ত অতিক্ৰম নকৰোতেই শিক্ষানুষ্ঠান এৰিছে তেন্তে শিক্ষাৰ অধিকাৰে অসমত শত সহস্ৰ 'বেটী' জীৱন আলোকিত কৰাত ব্যৰ্থ হৈছে। প্ৰাথমিক শিক্ষা মৌলিক অধিকাৰ', 'বেটী বচাও, বেটী পঢ়াও' এনে শ্ল'গান নুশুনা ব্যক্তি হয়তো কোনো নাই।' এই শ্লগানে বহু অভিভাৱক , পিতৃ-মাতৃক সজাগ কৰাত বাস্তৱত পূৰ্ণৰূপে সফল হোৱা নাই। এই শ্লগানেৰে মুখৰিত দেশৰ অন্যতম ৰাজ্য অসমত হাজাৰ হাজাৰ কন্যা শিশু, কিশোৰীয়ে হেৰুৱাব লগীয়া শিক্ষাৰ অধিকাৰ। যাৰ বাবে আমি বহু সময়ত বহু শিশুক, বহু কিশোৰীক দেখা পাও বাটে পথে আৰু আৱৰ্জনা জমা কৰা স্থানৰ পৰা পেলনীয়া প্লাষ্টিক, বটল আদি সংগ্ৰহ কৰা অৱস্থাত। শিক্ষাৰ অধিকাৰ বঞ্চিত এই সকলক মানৱ সম্পদলৈ ৰূপান্তৰ কৰাৰ বাবে এক বিশেষ অভিযানৰ অতিকে আৱশ্যক। 'বিকশিত ভাৰত'ৰ নামত যি উন্নয়নমুখী অভিযান অব্যাহত আছে সেই অভিযানে শিক্ষা বঞ্চিত এই নৱ প্ৰজন্মৰ শিক্ষাৰ অধিকাৰ প্ৰাপ্তিৰ বাট বিকশিত কৰিবন ?

# দলে নিদিলে টিকট, ৫ বছৰৰ কামৰ খতিয়ান দিলে ৰাজদ্বীপে



**ই-সংবাদ, ১৫ মাৰ্চঃ** দলে টিকট বঞ্চিত কৰিলেও ৰাইজৰ মাজতে থকাৰ আশ্বাস দিছে শিলচৰৰ বিধায়ক ডাঃ ৰাজদ্বীপ ৰয়। পেচাত চিকিৎসক ৰাজদ্বীপ ৰয়ে চিকিৎসা বৃত্তিত জড়িত হৈ সেৱা আগবঢ়াব যদিও ৫ বছৰীয়া কাৰ্যকালৰ খতিয়ান দাঙি ধৰিলে। শিলচৰ সমষ্টিৰ কিমান উন্নয়ন কৰিলেও তাৰ ৰিপৰ্ট কাৰ্ড দাখিল কৰিছে সাংসদ ডাঃ ৰাজদ্বীপ ৰয়ে। শিলচৰস্থিত কাছাৰ জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰে ৰাজদ্বীপ ৰয়ে। বিহাৰা অঞ্চলত এফচিআইৰ ২০ হাজাৰ মেট্ৰিক টনৰ গুডাম নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰে। কাছাৰ জিলাত ৫ খন দলং নিৰ্মাণ আৰু ৰে'লৰেৰ উৰণীয়া সেঁতু নিৰ্মাণ, পথ নিৰ্মাণ, স্কুল কলেজৰ আন্তঃগাঁথনি উন্নত কৰা বুলি দাবী কৰে। আনহাতে, পাহাৰ লাইনত ভিষ্টাডম এক্সপ্ৰেছ ৰে'ল সেৱা, শিলচৰৰ যোগাযোগ ব্যৱস্থা উন্নত কৰা, বিমান সেৱা উন্নত কৰা বুলি দাবী কৰি সাংসদগৰাকীয়ে। কাছাৰৰ ডলুত গ্ৰীণফিল্ড এয়াৰপট নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰক মাটি হস্তান্তৰ কৰা বুলি দাবী কৰে ৰয়ে। চাহৰ নিলাম কেন্দ্ৰ কলকাতাৰ পৰা গুৱাহাটীলৈ স্থানান্তৰিত কৰাৰ দাবী জনোৱা বুলিও কয় সাংসদ ৰয়ে। নাগৰিকত্ব সংশোধীত বিধেয়কক লৈ সৰৱ ভমিকা পালন কৰা বুলি দাবী কৰে তেওঁ। ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ বিধেয়ক, মহামাৰী ৰোগ সংশোধনী আইন, ৰাষ্ট্ৰীয় ঔষধ শিক্ষা-গৱেষণা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক, মেঘালয়ত আখাছীৰ সুৰক্ষাৰ দাবীত সংসদত সৰৱ হোৱা বুলিও দাবী কৰে। সংসদত সংখ্যালঘু হিন্দুৰ ওপৰত চলি থকা অত্যাচাৰৰ বিৰুদ্ধে সমদল উলিয়াই কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা বুলিও কয় ৰয়ে। পাঁচগ্ৰামৰ হিন্দুস্তান কাগজ কলৰ অচলাৱস্থাত কৰ্মচাৰীসকলে দীৰ্ঘদিন ধৰি দুৰ্দশাত ভূগি আহিছিল। কৰ্মচাৰীৰ বকেয়া আৰু দৰমহাৰ ধন পৰিশোধৰ বাবে সংসদত দাবী উত্থাপন কৰা বুলি কয়। সংসদত নিজকে সৰৱ সাংসদ ৰূপে প্ৰতিষ্ঠা কৰা বুলিও দাবী কৰিছে ৰাজদ্বীপ ৰয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছুপ্ৰিম ক'ৰ্টত ১৯ মাৰ্চত

ধৰি কেইবাটাও দল-সংগঠনে উচ্চতম ন্যায়ালয়ত আৰ্জি দিছিল। আবেদনকাৰী হিচাপে আছে ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগো। এই আৰ্জিসমূহক গুৰুত্বসহকাৰে লৈছে দেশৰ শীৰ্ষ আদালতে। দেশৰ উচ্চতম ন্যায়ালয়ে ১৯ মাৰ্চত আৰ্জিসমূহক লৈ শুনানি গ্ৰহণ কৰিব। জ্যেষ্ঠ অধিবক্তা কপিল চিব্বালে মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ বিচাৰপীঠত আইইউএমএলে দাখিল কৰা আবেদনৰ কথা উল্লেখ কৰি বিষয়টোৰ জৰুৰী বুলি কৈ শীঘ্ৰে শুনানি বিচাৰিছিল। কপিল চিব্বালৰ আবেদনৰ ভিত্তিত ১৯ মাৰ্চত আৰ্জিসমূহক লৈ শুনানি গ্ৰহণ কৰিব মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ বিচাৰপীঠে। কেন্দ্ৰ চৰকাৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে অধিসূচনাসমূহ জাৰি কৰিছে। যদি অধিসূচনা মতে, নাগৰিকত্ব প্ৰদান কৰা হয়, তেন্তে প্ৰত্যাহ্বান জনোৱাত অসম্ভৱ হ'ব বুলি দাবী কৰিছিল চিব্বালে। নাগৰিকত্ব সংশোধনী আইন ২০১৯ চনত গৃহীত হৈছিল যদিও বিধি প্ৰকাশ কৰা নাছিল। তাৰ অন্যতম কাৰণ আছিল উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰ। ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই কয় যে বিষয়টো তালিকাভুক্ত কৰিব পাৰি আৰু ২০০তকৈও অধিক আবেদন আছে। শীৰ্ষ ন্যায়ালয়ে 'কা'ৰ বিধি স্থগিতাদেশ বিচাৰি কৰা সকলো আবেদনৰ শুনানিৰ বাবে সন্মত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খালেকেও এৰি গ'ল দল

নেতৃত্বৰ পৰা দূৰে দূৰে আছিল আব্দুল খালেক। দলীয় নেতৃত্বৰ বিৰুদ্ধে ক্ষোভিত খালেকে মনৰ সমস্ত ক্ষোভৰ বহিঃপ্ৰকাশ ঘটাই আজি পদত্যাগ পত্ৰ প্ৰদান কৰে। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেক পত্ৰ প্ৰদান কৰি কংগ্ৰেছৰ পৰা পদত্যাগ ঘোষণা কৰাৰ লগতে দলটোৰ সৈতে ২৫ বছৰীয়া যাত্ৰা কৰাৰ কথা উল্লেখ কৰে। দলে বহু দিলেও যদি শেহতীয়াকৈ একপ্ৰকাৰ গুৰুত্বহীন কৰা বুলি অভিযোগ উত্থাপন কৰে। দলত গুৰুত্ব নোপোৱাৰ লগতে টিকট নোপোৱাত অসমৰ তত্ত্বাৱধায়ক জীতেন্দ্ৰ সিং আৰু ভূপেন বৰাক দোষাৰোপ কৰি দলৰ প্ৰাথমিক সদস্য পদো এৰাৰ ঘোষণা কৰে খালেকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউডিএফে তিনি সমষ্টিত





প্ৰতিদ্বন্দ্বিতা কৰাৰ ঘোষণা কৰি আহিছে। সংখ্যালঘুক লৈ ৰাজনীতি কৰি অহা দলটোৱে এইবাৰো সংখ্যালঘু ভোটাৰক লক্ষ্য কৰি লৈয়ে লোকসভা নিৰ্বাচনত নামিবলৈ সাজু হৈছে। বিৰোধী মিত্ৰজোঁটত স্থান নোপোৱা অসমৰ বিৰোধী দল ইউডিএফ দলে আজি বৰাক উপত্যকাৰ এটা, মধ্য অসমৰ এটা আৰু নামনি অসমত এটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে। উডিএফৰ বৰ্তমানৰ সাংসদ ই তথা দলটোৰ মুৰব্বী বদৰুদ্দিন আজমলে ধুবুৰী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে, বৰাক উপত্যকাৰ কৰিমগঞ্জ সমষ্টিত চাহাবুল ইছলাম চৌধুৰী আৰু নগাঁও সমষ্টিত আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিব। আমিনুল ইছলামৰ বৰ্তমানেও ধিং সমষ্টিৰ বিধায়ক। তিনিটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰি ইউডিএফৰ তিনিওগৰাকীয়ে প্ৰাৰ্থীয়েই জয়ী হ'ব বুলি দাবী কৰিছে বদৰুদ্দিন আজমলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী ত্যাগ আপৰ

সমষ্টিৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছিল। তাৰ পাছতে বিমোড়ত পৰিছিল বিৰোধী ঐক্য মঞ্চ। বিৰোধী ঐক্যমঞ্চত সকিলো ঠিকে নাই বুলিয়েই ক'ব পাৰি। কংগ্ৰেছে কেৱল ডিব্ৰুগড় আসনহে বিৰোধীক গটাবলৈ সাজু হোৱাৰ ইংগিত পায় তৃণমূল কংগ্ৰেছে অকলে নিৰ্বাচন খেলাৰৰ ঘোষণা কৰে। আনহাতে, চিপিআইএম দলে মিত্ৰতা ভংগ কৰি বৰপেটা সমষ্টিত প্ৰাৰ্থীত্ব ঘোষণা কৰে। ইপিনে কংগ্ৰেছে কেৱল অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলক বিশ্বাসত লৈ ডিব্ৰুগড় সমষ্টি বিৰোধীক এৰি দি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পণ লয়। কংগ্ৰেছে অসমৰ ১৪টা সমষ্টিৰ ভিতৰত ১৩টা সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ ফলত অসমৰ বিৰোধী মিত্ৰজোঁট লেবেজান হৈ পৰিছে। ইয়াৰ মাজতে আজি দৃশ্যপট কিছু সলনি হোৱা দেখা যায়। আজি পুৱাই এখন সংবাদমেল সম্বোধন কৰি কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে আম আদমী পাৰ্টীৰ অসমৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই। গুৱাহাটীত অসম আপৰ নেতৃত্বক লৈ অনুষ্ঠিত কৰা সংবাদমেলত কংগ্ৰেছে বিজেপিক জয়ী কৰাব খোজাৰ অভিযোগ উত্থাপন কৰে। আপেহে সংবিধান ৰক্ষাৰ যুঁজ দিয়া দাবী কৰি আপেহে প্ৰকৃততে বিজেপিক হৰুৱাব খোজে বুলি কয়। ৰাজেশ শৰ্মাই কয় অসম কংগ্ৰেছৰ নেতাই বিজেপিলৈ গৈয়ে আছে। আপে পূৰ্বৰ পৰা নিৰ্বাচনৰ বাবে সাজু আছিল। তথাপিও আমি সৰ্বোচ্ছ ত্যাগ কৰিবলৈ সাজু হৈছো। আপে গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী ভবেন চৌধুৰীৰ নাম প্ৰত্যাহাৰ কৰাৰ ঘোষণা কৰে। আনহাতে আপে শোণিতপুৰ আৰু ডিব্ৰুগড় সমষ্টিত নিৰ্বাচন খেলাৰ ঘোষণা কৰে। আপে কংগ্ৰেছক বিশেষ আবেদন জনাই কয় যে কংগ্ৰেছে ডিব্ৰুগড় আৰু শোণিতপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰত্যাহাৰ কৰাৰ দাবী জনায়। ইপিনে প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ পাছতে কংগ্ৰেছৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰক সাক্ষাৎ কৰে ভবেন চৌধুৰীয়ে। মীৰা বৰঠাকুৰে সমাগত নিৰ্বাচনত ভৱেন চৌধুৰীৰ পৰা সকলো প্ৰকাৰৰ সহায় কামনা কৰে।




# কাছমাৰী পথাৰত সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন সম্পন্ন

**ই-সংবাদ, সৰুপথাৰ, ১৫ মাৰ্চঃ** ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকক্ষৰ বাহিৰলৈ উলিয়াই আনি অসমৰ জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতি, স্থাপত্য-ভাস্কৰ্য তথা ঐতিহ্যৰ সৈতে পৰিচয় কৰোৱাৰ উদ্দেশ্য আগত ৰাখিয়েই বিগত বৰ্ষসমূহৰ দৰে এই বছৰো সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে এক ক্ষেত্ৰভিত্তিক কাৰ্যসূচী ৰূপায়ণ কৰে। বিভাগৰ মুৰব্বী তথা বিশিষ্ট গৱেষক ড০ প্ৰণৱ ফুকনৰ তত্বাৱধানত স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকলে "দৈয়াং-ধনশিৰি উপত্যকাৰ প্ৰত্নতাত্ত্বিক সমল" শীৰ্ষক বিষয়ত অধ্যয়নৰ বাবে গোলাঘাট জিলাৰ বিষ্ণুপুৰ গাঁও আৰু কাছমাৰী পথাৰৰ শৈলস্তম্ভ পৰিদৰ্শন কৰে। এই ক্ষেত্ৰভিত্তিক অধ্যয়নত বিষ্ণুপুৰ গাঁৱৰ সিচঁৰতি হৈ পৰি থকা মধ্যযুগৰ কছাৰী শাসন কালৰ প্ৰস্তৰ মূৰ্তিৰ অৱহেলিত ৰূপ দেখি ছাত্ৰ-শিক্ষকৰ দলটি ব্যথিত হৈ পৰে। এই দিশত স্থানীয় ৰাইজৰ লগতে চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ পদক্ষেপ কামনা কৰে। কাছমাৰী পথাৰতো (যাক ৰজাবাৰী নামেৰেও জনা যায়) ৰ'দে-বৰষুণে থিয় হৈ থকা শিলাস্তম্ভসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণ কৰিবলৈকো সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায় বিশিষ্ট গৱেষক ফুকনে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ এই বিদ্যায়তনিক প্ৰয়াসক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও এনে পদক্ষেপৰ পোষকতা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বিআৰএছৰ নেত্ৰী

কে চন্দ্ৰশেখৰ ৰাওৰ কন্যা কে কবিতাৰ হায়দৰাবাদস্থিত বাসগৃহত ইডিয়ে অভিযান চলায়। এই অভিযানৰ মাত্ৰ কেইঘণ্টামান পিছতে গ্ৰেপ্তাৰ কৰা হয় বি আৰ এছৰ নেত্ৰীগৰাকীক। জানিব পৰা মতে, এতিয়া কে কবিতাক সোধা-পোছাৰ বাবে দিল্লীলৈ লৈ যোৱা হৈছে। মন কৰিবলগীয়া যে, দিল্লীৰ সুৰা নীতি গোচৰত ইডিয়ে পূৰ্বে একাধিকবাৰ চমন প্ৰেৰণ কৰিছিল বিধান পৰিষদৰ সদস্যাগৰাকীক। কিন্তু প্ৰতিবাৰেই চমন আওকান কৰাৰ পিছতে আজি তেওঁৰ বাসগৃহত অভিযান চলায় ইডিয়ে। কে কবিতাৰ গ্ৰেপ্তাৰৰ পিছতে এয়া বিজেপিৰ ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে বি আৰ এছে। নিৰ্বাচনৰ ঠিক পূৰ্বে বিজেপিয়ে ষড়যন্ত্ৰমূলকভাৱে দমন কৰিবলৈ ইডি জাপি দিয়াৰো অভিযোগ উত্থাপন কৰিছে দলটোৱে।

# অশ্লীল বিষয়বস্তুৰে ভৰপূৰ ১৮টা অ'টিটি প্লেটফৰ্মক নিষিদ্ধ ঘোষণা

**নতুন দিল্লী, ১৫ মাৰ্চঃ** ইণ্টাৰনেটত 'অশ্লীল' বিষয়বস্তু প্ৰদান কৰা প্লেটফৰ্মসমূহৰ বিৰুদ্ধে কঠোৰ হ'ল কেন্দ্ৰীয় চৰকাৰ। অশ্লীল বিষয়বস্তু প্ৰদান কৰা ১৮টা অ'টিটি প্লেটফৰ্ম বৃহস্পতিবাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বন্ধ কৰে কেন্দ্ৰই। বৃহস্পতিবাৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এক আনুষ্ঠানিক বিবৃতিত কোৱা হৈছে যে ভাৰতত ১৯টা ৱেবছাইট, ১০টা এপ (গুগল প্লে ষ্টʼৰত ৭টা আৰু এপল এপ ষ্টʼৰত ৩টা), আৰু এই প্লেটফৰ্মসমূহৰ সৈতে জড়িত ৫৭টা ছ'চিয়েল মিডিয়া একাউণ্ট নিষিদ্ধ কৰা হৈছে। উল্লেখ্য যে, কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে বাৰে বাৰে 'গঠনমূলক প্ৰকাশ'ৰ আঁৰত অশ্লীলতা আৰু গালি-গালাজৰ প্ৰচাৰ নকৰাৰ বাবে প্লেটফৰ্মৰ দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। বিবৃতিটোত কোৱা হৈছে যে যোৱা ১২ মাৰ্চত ঠাকুৰে ঘোষণা কৰিছিল যে অশ্লীল বিষয়বস্তু প্ৰকাশ কৰা ১৮টা অ'টিটি প্লেটফৰ্ম বন্ধ কৰা হৈছে। বিবৃতিটোত আৰু কোৱা হৈছে যে ভাৰত চৰকাৰৰ অন্যান্য মন্ত্ৰালয় আৰু সংবাদ মাধ্যম আৰু মনোৰঞ্জন, মহিলাৰ অধিকাৰ আৰু শিশু অধিকাৰৰ বিশেষজ্ঞ ডমেইন বিশেষজ্ঞৰ সৈতে আলোচনা কৰি তথ্য প্ৰযুক্তি আইন, ২০০০ৰ বিধানৰ অধীনত শেহতীয়াকৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও কোৱা হৈছে যে এই প্লেটফৰ্মসমূহত হ'স্ট কৰা কন্টেন্টৰ এটা উল্লেখযোগ্য অংশ অশ্লীল আৰু মহিলাসকলক অপমানজনকভাৱে চিত্ৰিত কৰা দেখা গৈছে। ইয়াত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক, অনাচাৰী পাৰিবাৰিক সম্পৰ্ক ইত্যাদি বিভিন্ন অনুপযুক্ত প্ৰসংগত নগ্নতা আৰু যৌন কাৰ্য্যৰ চিত্ৰণ কৰা হৈছে। এনে বিষয়বস্তুৰ ভিতৰত যৌন ইংগিত আৰু কিছুমান ক্ষেত্ৰত কোনো বিষয়ভিত্তিক বা সামাজিক প্ৰাসংগিকতাহীন দীঘলীয়া অশ্লীল আৰু যৌনতাপূৰ্ণ দৃশ্যও অন্তৰ্ভুক্ত কৰা হৈছিল। বিবৃতিটোত কোৱা হৈছে যে এনে বিষয়বস্তুক প্ৰাইমা ফেচি আই টি আইনৰ ধাৰা ৬৭ আৰু ৬৭এ, ভাৰতীয় দণ্ড বিধিৰ ধাৰা ২৯২ আৰু মহিলাৰ অশ্লীল প্ৰতিনিধিত্ব (নিষেধাজ্ঞা) আইন, ১৯৮৬ৰ ধাৰা ৪ উলংঘা বুলি গণ্য কৰা হৈছে। ইফালে চৰকাৰে নিষিদ্ধ কৰা অ'টিটি এপসমূহৰ ভিতৰত এটা এপত ১ কোটিতকৈ অধিক ডাউনলোড হোৱাৰ বিপৰীতে আন দুটা এপত গুগল প্লে ষ্টʼৰত ৫০ লাখতকৈ অধিক ডাউনলোড হৈছে। ইয়াৰ উপৰিও এই অ'টিটি প্লেটফৰ্মসমূহে দৰ্শকক তেওঁলোকৰ ৱেবছাইট আৰু এপসমূহৰ প্ৰতি আকৰ্ষণ কৰাৰ লক্ষ্যৰে ট্ৰেইলাৰ, একচেটিয়া দৃশ্য, আৰু বাহ্যিক লিংক সম্প্ৰচাৰৰ বাবে ছ'চিয়েল মিডিয়াক ব্যাপকভাৱে ব্যৱহাৰ কৰে। ইয়াত কোৱা হৈছে যে নিজ নিজ অ'টিটি প্লেটফৰ্মৰ ছ'চিয়েল মিডিয়া একাউণ্টত ৩২ লাখতকৈ অধিক ফ'ল'ৱাৰ আছে। বিবৃতিটোত কোৱা হৈছে যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে সভা, ৱেবিনাৰ, কৰ্মশালা আদিৰ জৰিয়তে অ'টিটি প্লেটফৰ্ম আৰু আই টি নিয়ম, ২০২১ৰ অধীনত প্ৰতিষ্ঠিত ইয়াৰ স্ব-নিয়ন্ত্ৰণ সংস্থাসমূহৰ সৈতে সংবেদনশীলতাৰ প্ৰচেষ্টা অবিৰতভাৱে চলাই আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভোট কেতিয়া? আজি ক'ব

মুখ্য নিৰ্বাচন আয়ুক্তই। শুকুৰবাৰে আবেলি নিৰ্বাচন আয়োগৰ মুখপাত্ৰই এক্সত এটা পোষ্ট দি এই তথ্য প্ৰকাশ কৰিছে। আয়োগৰ দ্বাৰা এটা বিবৃতিও জাৰি কৰা হৈছে। সংবাদমেলখন সামাজিক মাধ্যমত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নিৰ্বাচনৰ তাৰিখ ঘোষণা হোৱাৰ পাছতে ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈ আনুষ্ঠানিকভাবে সাজু হ'ব আয়োগ। দেশৰ সাধাৰণ নিৰ্বাচনৰ লগতে চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সময়সূচীও একেদিনাই ঘোষণা কৰা হ'ব। লোকসভা নিৰ্বাচনৰ লগতে অৰুণাচল প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ, ছিক্কিম আৰু ওড়িশাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব। ২০২৪ চনৰ লোকসভা নিৰ্বাচন আৰু ৰাজ্যসমূহৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী শনিবাৰে আবেলি ৩ বজাত ঘোষণা কৰাৰ পাছতে নিৰ্বাচনী আচৰণ বিধি কাৰ্যকৰী হ'ব। কেইটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব তাকে লৈ ইতিমধ্যে জল্পনা-কল্পনা আৰম্ভ হৈছে। যোৱা লোকসভা নিৰ্বাচন সাতটা পৰ্যায়ত অনুষ্ঠিত হৈছিল। কংগ্ৰেছৰ শাসনকালত ২০১৪ চনৰ লোকসভা নিৰ্বাচন ৯টা পৰ্যায়ত অনুষ্ঠিত হৈছিল। ইপিনে অসমত পূৰ্বৰ দৰে বহাগ বিহুৰ সময়তে দুটা পৰ্যায়ত ভোটগ্ৰহণ কৰিব পাৰে নিৰ্বাচন আয়োগে। উজনি অসমত বহাগ বিহুৰ পূৰ্বে আৰু নামনি অসমত বহাগ বিহুৰ পাছত ভোটগ্ৰহণ অনুষ্ঠিত হ'বপাৰে। অসমৰ ভোটগ্ৰহণৰ তাৰিখতে চুবুৰীয়া ৰাজ্যকেইখনৰো ভোটগ্ৰহণ অনুষ্ঠিত হ'ব পাৰে। নিৰ্বাচন আয়োগৰ পূৰ্ণ বিচাৰপীঠে নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰিবলৈ কলকাতালৈ অহাৰ সময়ত ৰাজ্যখনত শাসকীয় তৃণমূল কংগ্ৰেছে একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনাইছিল। বৃহস্পতিবাৰে নিৰ্বাচন আয়োগৰ দুটা খালী পদত দুজন অৱসৰপ্ৰাপ্ত আমোলাক নিযুক্তি দিয়া হয়। সুখবীৰ সিং সান্ধু আৰু জ্ঞানেশ কুমাৰক নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৃহস্পতিবাৰে দুয়োটা খালী পদ নিযুক্তিৰ বাবে এখন তিনিজনীয়া সমিতিৰ বৈঠক অনুষ্ঠিত হয়। কংগ্ৰেছ সাংসদ অধীৰ চৌধুৰীও লোকসভাৰ সৰ্ববৃহৎ বিৰোধী দলৰ নেতা হিচাপে সমিতিৰ অংশ আছিল। দেশখনত এজন মুখ্য নিৰ্বাচন আয়ুক্তকে ধৰি তিনিজন নিৰ্বাচন আয়ুক্ত আছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেল এতিয়ালৈকে এই পদৰ দায়িত্বত আছিল। তৃতীয় নিৰ্বাচন আয়ুক্তৰ পদটো দীৰ্ঘদিন ধৰি খালী হৈ আছে। কিন্তু শনিবাৰে, অৰুণ গোৱেল হঠাতে পদত্যাগ কৰে। ৰাষ্ট্ৰপতিলৈ লিখা পত্ৰত অৰুণে ব্যক্তিগত কাৰণত পদত্যাগ কৰিছে বুলি উল্লেখ কৰিছে। অৱশ্যে পদত্যাগৰ কাৰণক লৈ চাচপেন্স অব্যাহত আছে।

# কচুবাৰীত ১৯ মাৰ্চৰ পৰা গৰখীয়া সবাহ মহোৎসৱ

**ই-সংবাদ, তামুলপুৰ, ১৫ মাৰ্চঃ** তামুলপুৰ জিলাৰ কচুবাৰীত শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ ৫২৪ বৰ্ষীয় গৰখীয়া সভা অহা ১৯ মাৰ্চৰ পৰা ২৩ মাৰ্চ লৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। উদযাপন সমিতিৰ সভাপতি কামেশ্বৰ দাস আৰু সম্পাদক নাৰায়ন দাসে জনোবা মতে ১৯ মাৰ্চৰ পোৱা ৮.৪৫ বজাত ধৰ্মধ্বজা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ কৰিব মহাপ্ৰভু থান সত্ৰৰ পৰিচালনা সমিতিৰ সভাপতি কামেশ্বৰ দাসে। ৯ বজাত মুখ্যদ্বাৰ উন্মোচন কৰিব ৫৮ নং বিধান সভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। দিনৰ ১২.৩০ বজাত মঞ্চ উদ্বোধন কৰিব বিটিআৰ চীফ প্ৰমোদ বড়োৱে। ২০ মাৰ্চৰ কাৰ্যসূচী পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণৰে আৰম্ভ হ'ব। ১০ বজাত হোম-যজ্ঞ, নাম কীৰ্ত্তনৰ পিছতে ১১ বজাত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব বিটিআৰ চীফ প্ৰমোদ বড়োৱে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱকুমাৰ শৰনীয়া, মঙলদৈ লোকসভাৰ সমষ্টিৰ সাংসদ দীলিপ শইকীয়া, মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী, ৫৮নং তামুলপুৰ বিধান সভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ চৰকাৰী মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভা আৰু তামুলপুৰৰ সমাজকৰ্মী লভিৰাম ৰাভাই। বিশেষ সম্বৰ্ধিত ব্যক্তি হিচাপে উপস্থিত থাকিব অসমৰ প্ৰাক্তন উচ্চ শিক্ষা মন্ত্ৰী থানেশ্বৰ বড়ো, গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ উপেন ৰাভা হাকাচাম, গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ ভাৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ উমেশ ডেকা, বাৰাঙ্গাবাৰী অৱসৰী শিক্ষক কামেশ্বৰ হাজৰিকা, কামৰূপ মহানগৰ জিলা পৰিষদৰ অধীক্ষক উত্তম নাৰ্জাৰী আৰু কচুবাৰী আন্তঃৰাষ্ট্ৰীয় খো-খো খেলুৱৈ ৰঞ্জনা শৰনীয়া। নিশা 'সাংস্কৃতিক সন্ধিয়া'ত উপস্থিত থাকিব জনপ্ৰিয় কণ্ঠশিল্পী ইলিচা বড়ো। ২১ মাৰ্চ বৃহস্পতিবাৰে দিনৰ ভাগত নাগাৰা নাম, হোম যজ্ঞ আৰু নাম কীৰ্ত্তন, ওজাপালি, ঢুলীয়া প্ৰদৰ্শন আদি অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৬.২০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন আৰু ৭ বজাত 'বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া' অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ অন্তিম দুদিন ২২ আৰু ২৩ মাৰ্চতো নাগাৰা নাম, হোম-যজ্ঞ, সম্বৰ্ধনা অনুষ্ঠান আদিৰ লগতে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। ২২ মাৰ্চৰ সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কন্ঠশিল্পী দেৱজিত বৰাই আৰু অন্তিম দিনা ২৩ মাৰ্চৰ সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব কণ্ঠশিল্পী দীপশিখা বৰাই।

# সাংসদ অজিত কুমাৰ ভূঞাক গ্ৰেপ্তাৰৰ দাবী বিধায়ক দিগন্ত কলিতাৰ

**ই-সংবাদ, ১৫ মাৰ্চঃ** সাংসদ তথা সাংবাদিক অজিত কুমাৰ ভূঞাক আজি আক্ৰমণৰ লক্ষ্য কৰি ল'লে কমলপুৰৰ বহুবক্সী বিধায়ক দিগন্ত কলিতাই। কামৰূপৰ গাছবাৰীত পথৰ আধাৰশিলা স্থাপন কৰি বিৰোধী ঐক্য মঞ্চৰ নেতা অজিত কুমাৰ ভূঞাক আক্ৰমণৰ লক্ষ্য কৰি লয় বিধায়ক কলিতাই। বিধায়কজনে কয়, 'যিজন ব্যক্তিয়ে নিজৰ সাংসদ পুঁজি দুই নম্বৰী কৰি আত্মসাৎ কৰিছে, আমি প্ৰথমতে দাবী কৰিছো এইগৰাকী সাংসদ অজিত কুমাৰ ভূঞাক প্ৰথমতে গ্ৰেপ্তাৰ কৰক। তাৰ পিছত অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে আমিও মন্তব্য কৰিম।' অজিত কুমাৰ ভূঞাক প্ৰথমে নিজকে আত্মসমালোচনা কৰাৰ পৰামৰ্শ দিয়ে দিগন্ত কলিতাই। উল্লেখ্য যে, সৰ্বানন্দ সোণোৱালক কাম নোহোৱা ভদ্ৰলোক বুলি মন্তব্য কৰিছিল ভূঞাই। তাৰ পাছতে অজিত কুমাৰ ভঞাক ওভতি ধৰে বিধায়ক দিগন্ত কলিতাই। আজি কামৰূপৰ গাছবাৰীত ভাগৱত মন্দিৰ-কলিতা চুবুৰী পথৰ আধাৰশিলা স্থাপন কৰে বিধায়ক কলিতাই। আনহাতে, ডিব্ৰুগড় সমষ্টিত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈক প্ৰাৰ্থী হিচাপে ঘোষণা কৰাত বিধায়ক কলিতাই কয় যে ৫ লাখ ভোটৰ ব্যৱধানত বিজেপিৰ প্ৰাৰ্থী সোণোৱাল জয়ী হ'ব।

# ইএম অৰূপ দে'ৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, ১৫ মাৰ্চঃ** বিটিআৰত সকলো জাতি-জনগোষ্ঠীৰ লোকক লৈ বিটিআৰৰ ৰাজনীতিত নতুন মাত্ৰা দিবলৈ প্ৰয়াস কৰি অহা যুৱ নেতা অৰূপ কুমাৰ দেই হাতত লৈছে এক বিশেষ পদক্ষেপ। ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিৰ সদস্য অৰূপ দেৰ মহানুভৱতাই এতিয়া ওঁঠত হাঁহি বিৰিঙাইছে কোকৰাঝাৰ, ধুবুৰী, চাপৰগ্ৰাম বিলাসীপাৰাৰ শতাধিক পৰিয়ালৰ মাজত। গাঁঠিৰ ধন ভাঙি দুখীয়া-দৰিদ্ৰৰ সেৱা আগবঢ়াই অঞ্চলটোৰ ৰাইজৰ আস্থাভাজন হৈ পৰা যুৱ নেতাগৰাকীয়ে এইবাৰ ৪৫০ গৰাকী বয়োজ্যেষ্ঠ লোকক তীৰ্থ ভ্ৰমণলৈ প্ৰেৰণ কৰিছে। জানিব পৰা মতে, নিজৰ গাঁঠিৰ ধনেৰে তীৰ্থস্থান নৱদ্বীপ মায়াপুৰলৈ তীৰ্থ ভ্ৰমণলৈ পঠিয়াইছে এইসকল বয়োজ্যেষ্ঠ লোকক। এইসকল লোকে দীৰ্ঘদিনৰে পৰা তীৰ্থ ভ্ৰমণলৈ যাবলৈ আশাপালি আছিল যদিও ধনৰ অভাৱত সেয়া হৈ উঠা নাছিল। এই কথা জানিব পাৰি যুৱ নেতাগৰাকীয়ে সকলো ব্যৱস্থা কৰি দিয়ে।

# মহানগৰীত আকৌ ঘটিল গুলীচালনাৰ ঘটনা

## লখৰাৰ ছাগলপাৰাত ভূমিক লৈ সংঘাত

**ই-সংবাদ, ১৫ মাৰ্চঃ** লোকসভা নিৰ্বাচন তথা 'কা' বিৰোধী আন্দোলন দমন কৰিবলৈ গুৱাহাটীত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে আৰক্ষীয়ে। এনে নিৰাপত্তাৰ মাজতে ইটোৰ পাছত সিটো অনাকাংক্ষিত ঘটনা সংঘটিত হৈছে গুৱাহাটী মহানগৰীত। ৫ ফেব্ৰুৱাৰীত মহানগৰীৰ বৰবাৰীৰ দিন-দুপৰতে এজন ৰাজ মিস্ত্ৰীক গুলীয়াই হত্যা কৰিব খুজিছিল অস্ত্ৰধাৰী দুৰ্বৃত্তই। তাৰ পাছতে আজি পুনৰ গুলীচালনাৰ ঘটনা সংঘটিত হৈছে গুৱাহাটীত। গুৱাহাটী মহানগৰীৰ লখৰাৰ ছাগলপাৰাত এটা পক্ষই আন এটা পক্ষক গুলীচালনা কৰাৰ অভিযোগ উঠিছে। অস্ত্ৰধাৰী দুৰ্বৃত্তই আৰক্ষীক লক্ষ্য কৰি গুলীচালনা কৰাত অঞ্চলটোত আতংকই বিৰাজ কৰিছে। বিনোদ বড়ো নামৰ এজন আৰক্ষী জোৱানক লক্ষ্য কৰি গুলীচালনা কৰিছিল যদিও দেহত গুলী নালাগি কথমপি ৰক্ষা পৰে। জানিব পৰা মতে, লখৰাৰ ছাগলপাৰাত এটুকুৰা ভূমিক লৈ দুটা পক্ষৰ তীব্ৰ সংঘাত চলি আছিল। তাৰ মাজতে আজি অৰূপ ৰংপিৰ পৰিয়াল আৰু পৰেশ শৰ্মাৰ পৰিয়ালৰ মাজত সংঘাত লগা বুলি জানিব পৰা যায়। হঠাতে পইণ্ট টুৱেণ্টী পিস্তলৰে ২ জাঁই গুলি ফুটাই সন্ত্ৰাস সৃষ্টি কৰিছিল ১৫-২০ জনীয়া দুৰ্বৃত্তৰ দলে। অৰূপ ৰংপিৰ পৰিয়ালক আক্ৰমণ কৰিবলৈ আহে দুৰ্বৃত্তৰ দলটোৱে। সেই সময়তে আৰক্ষীৰ লোকজনক টাৰ্গেট কৰি পৰেশ শৰ্মাৰ গুণ্ডাবাহিনী গুলীচালনা কৰাৰ সন্দেহ কৰা হৈছে। বশিষ্ঠ আৰক্ষী থানাত অৰূপ ৰংপিৰ পৰিয়ালে এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে।



**প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিয়েই কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰক সাক্ষাৎ আপ নেতা ভবেন চৌধুৰীৰ**

# যাদুকৰ-সাহসী সাংবাদিক ৰূপহ চলিহাৰ বিয়োগ, ৰাজ্যজুৰি শোকৰ ছাঁ

**ই-সংবাদ, তিনিচুকীয়া, ১৫ মাৰ্চঃ** সাংবাদিক ৰূপহ চলিহা আৰু নাই। ওৰে জীৱন সমাজৰ অতন্দ্ৰ প্ৰহৰী হৈ সমাজ সেৱা কৰা ৰূপহ চলিহাক ডিব্ৰুগড়ত চিকিৎসাৰ বাবে নিয়াৰ সময়তে আজি সন্ধিয়া মৃত্যুৱে আকোৱালি লয়। তিনিচুকীয়া জিলাত সংবাদ সেৱা কৰি সাংবাদিক পেন্সন লাভ কৰিবলৈ সক্ষম হোৱা ৰূপহ চলিহাই দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছিল। ঘৰতে থকা চলিহাৰ আজি স্বাস্থ্যৰ কিছু অৱনতি ঘটাত পৰিয়ালে চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ নিয়ে যদিও শেষ নিশ্বাস ত্যাগ কৰে। ৰূপহ চলিহাই সাংবাদিকতা কৰাৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বাহিৰতো বিভিন্ন মঞ্চত যাদু প্ৰদৰ্শন কৰি খ্যাত অৰ্জন কৰিছিল। তিনিচুকীয়া প্ৰেছ ক্লাবৰ সম্পাদকৰ দায়িত্ব লোৱাৰ লগতে তিনিচুকীয়া সাংবাদিক সন্থাৰ সহকাৰী সম্পাদকৰ পদতো অধিষ্ঠিত হৈছিল। বিগত চাৰিটা দশক ধৰি সংবাদসেৱাৰে জড়িত চলিহাই নতুন প্ৰজন্মৰ সাংবাদিকৰ আদৰ্শ আছিল। বাতৰি সংগ্ৰহ আৰু প্ৰেৰণৰ সুকীয়া শৈলীৰে অসমৰ সংবাদজগতত ব্যতিক্ৰমী সাংবাদিক ৰূপে পৰিচিত আছিল তেখেত। আঞ্চলিক বাতৰি কাকতৰ জড়িয়তে সাংবাদিকতা আৰম্ভ কৰা চলিহাই ভূমিপুত্ৰ, জনসাধাৰণ, আমাৰ অসম কাকতত সাংবাদিকতা কৰিছিল। গুৱাহাটীৰ এটা নিউজ চেনেলতো সাংবাদিকতা কৰিছিল। তিনিচুকীয়া প্ৰেছ ক্লাব, তিনিচুকীয়া জিলা সাংবাদিক সন্থা, আপকু, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, আছু, অসম জাতীয় পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। ইহসংসাৰত পত্নী আৰু দুই কন্যাক এৰি থৈ যায়। জ্যেষ্ঠ সাংবাদিক তথা সমাজকৰ্মীৰ চলিহাৰ মৃত্যুত তিনিচুকীয়া জিলাত শোকৰ ছাঁ পৰিছে।

# শুক্লাই চেৰফাঙত এদিনতে ১৫ কোটি টকাৰ পথৰ আধাৰশিলা




**ই-সংবাদ, শুক্লাই, ১৫ মাৰ্চঃ** বিটিআৰৰ বিজেপি ইউপিপিএল মিত্ৰজোঁট চৰকাৰৰ জনকল্যাণমুখী কাম কাজত ৰাইজ সন্তুষ্ট। এইখন চৰকাৰে ৰাইজক সৰ্বোচ্চ উজাৰি মৰম দিছে। এই দাবী বিটিআৰৰ কাৰ্যবাহী পাৰিষদ তথা তামুলপুৰ জিলাৰ শুক্লাই চেৰফাং সমষ্টিৰ ই.এম ৰনেন্দ্ৰ নাৰ্জাৰীৰ। শুক্লাই চেৰফাং সমষ্টিৰ ভিন্ন প্ৰান্তত প্ৰায় ১৫ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰি কাৰ্যবাহী সদস্যগৰাকীয়ে ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হোৱা বিজেপিৰ বাবে এতিয়া আৰু নিৰ্বাচনত চিন্তা কৰিবলগীয়া বিশেষ একো নাই বুলি দাবী কৰে। সাধাৰণ নিৰ্বাচনত দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়া অভিলেখ ভোটেৰে জয়লাভ কৰিবলৈ সক্ষম হ'ব বুলি দাৱী কৰে। দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থীৰ বাবে বিপিএফ কোনো ফেক্টৰ ন'হয় বুলি দাবী কৰি নাৰ্জাৰীয়ে বিটিচিত এতিয়া বিপিএফৰ কাম নাই বুলি উল্লেখ কৰি বিপিএফ দল ৰাইজৰ মনৰ পৰা কেতিয়াবাই ওলাই গৈছে বুলি কয়। পাৰিষদ ৰনেন্দ্ৰ নাৰ্জাৰীয়ে শুক্লাই চেৰফাং সমষ্টিৰ অম্বৰিশ নগৰ-গৌতমবস্তী পথ, হাজালপাৰা-কুজালপাৰা পথ, হাজালপাৰা-কুজালপাৰা পথৰ ওপৰত থকা পকী দলং, উলুবাৰী-বেটাগাঁও কেএনপি পথ আৰু মাইকী বজাৰৰ বজাৰ গৃহকে ধৰি কেইবাটাও উন্নয়নমূলক কামৰ শুভাৰম্ভণী কৰে। কাৰ্যসূচীত দেউচুংগা ভিচিডিচিৰ অধ্যক্ষ কৃষ্ণ খটিওৰা, বিজেপিৰ তামুলপুৰ জিলা জনজাতি মৰ্চাৰ উপ-সভাপতি মনিন্দ্ৰ বসুমতাৰী, বিজেপি নেতা শেষ প্ৰসাদ লুইটেল, তামুলপুৰ জিলা সামাজিক মাধ্যম কোষৰ ৰাহুল দাস, শুক্লাই চেৰফাং ব্লক ইউপিপিএলৰ উপ-সভাপতি লেবেল বড়ো উপস্থিত থাকে।

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক ২০ বছৰৰ কাৰাদণ্ড পক্সʼ আদালতৰ

**ই-সংবাদ, লাহৰীঘাট ১৫ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰবড়ী গাঁৱৰ চফিকুল ইছলাম (৩৯) নামৰ নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক্সো আদালতে আজি ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে চফিকুল ইছলাম নামৰ লম্পট টোৱে তিনিবছৰ পূৰ্বে একে গাঁৱৰে এগৰাকী নাবালিকাক ধৰ্ষণ কৰিছিল। এই ঘটনাৰ পাছতে নাবালিকাগৰাকীৰ পৰিয়ালৰ লোকে লাহৰীঘাট আৰক্ষী থানাত ২৬৮/২০২১ নম্বৰত এটা গোচৰ ৰুজু কৰে। এই ঘটনাটোৰ ক্ষিপ্ৰতাৰে তদন্ত কৰি লাহৰীঘাট আৰক্ষী থানাৰ উপ-পৰিদৰ্শক অদিত বড়োৱে মৰিগাঁও পক্সো আদালতত অভিযোগনামা দাখিল কৰে। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক্সো আদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক্সো আদালতৰ বিশেষ ন্যায়াধীশে পক্সো আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি নাবালিকা ধৰ্ষণকাৰী চফিকুল ইছলামক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। গোচৰটোত ট্ৰায়েল মনিটৰিং বিষয়া আছিল মৰিগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) সমীৰণ বৈশ্য।

## দৰিদ্ৰ ৰোগীক হাৰাশাস্তি কৰাৰ অভিযোগ এজেৰাইচিপিৰ

# ‘আয়ুষ্মান কাৰ্ড’ দিলেও ধন লাগে অ'ভেল হাস্পতালক

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৫ মাৰ্চঃ** বাইহাটা চাৰিআলিস্থি অ'ভেল হাস্পতালৰ বিৰুদ্ধে এইবাৰ আয়ুষ্মান সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদে৷ আয়ুষ্মান এতিয়া দৰিদ্ৰ ৰোগীৰ পৰিৱৰ্তে হস্পিতাল কৰ্তৃপক্ষৰ “সোনৰ কণী পৰা হাঁহ”ত পৰিণত হৈছে বুলি এক বিবৃতিত উল্লেখ কৰিছে যুৱ-ছাত্ৰ পৰিষদৰ কামৰূপ গ্ৰাম্য জিলাৰ আহবায়ক সমিতিয়ে৷ সমিতিয়ে বিবৃতিটোত উল্লেখ কৰা মতে, যোৱা ফেব্ৰুৱাৰী মাহত চিকিৎসালয়খনৰ বিৰুদ্ধে আয়ুষ্মান থকাৰ পিছতো ৰোগীৰ পৰিয়ালৰপৰা অনৈতিকভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ পৰিয়ালটোৱে অভিযোগ কৰা মতে অভেল হাস্পতাল কৰ্তৃপক্ষই ৰোগীক অপাৰেচন নকৰাকৈয়ে অপাৰেচনৰ নামত তেওঁলোকৰপৰা লৈছিল নগদ ১৯৬০০ টকা৷ প্ৰাপ্ত অভিযোগটোত ভুক্তভোগী পৰিয়ালটোৱে উল্লেখ কৰা মতে বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত গোগ গাঁৱৰ এগৰাকী মহিলাৰ পেটৰ বিষ অনুভৱ হোৱাত যোৱা ২৭ ডিচেম্বৰত বাইহাটা চাৰিআলি অভেল হাস্পতালত ভৰ্তি কৰা হয়৷ অভেল কৰ্তৃপক্ষই ৰোগীৰ সকলো পৰীক্ষা-নিৰীক্ষা কৰি গল্ড ব্লাডাৰ আৰু পিত্তনলীত পাথৰ হোৱা বুলি মহিলাগৰাকীৰ পৰিয়ালক অৱগত কৰে আৰু পৰীক্ষা-নিৰীক্ষাৰ খৰচৰ বাবদ প্ৰায় ১১ হাজাৰ টকা লয়৷ তদুপৰি আয়ুষ্মানসহ অপাৰেচনৰ বাবদ অতিৰিক্ত ১৯৬০০ টকা আগতীয়াকৈ জমা দিবলৈ আহ্বান জনাই পৰিয়ালটোক৷ সেইমৰ্মে মহিলাগৰাকীৰ পৰিয়ালে সকলো পৰীক্ষা-নিৰীক্ষাৰ বাবদ প্ৰায় ১১ হেজাৰ টকা আৰু অপাৰেছনৰ নামত আয়ুষ্মানসহ ১৯৬০০ টকা কেচ কাউন্টাৰত জমা দিয়ে যদিও শেষত চিকিৎসকে গল্ড ব্লাডাৰ অপাৰেচনৰ বাবে ফুটা কৰি মহিলাগৰাকীৰ কেন্সাৰ ফৰ্ম হোৱা বুলি অৱগত কৰে আৰু অপাৰেচনটো কৰিবপৰা নাযায় বুলি জানিব দিয়ে। প্ৰায় ১১ হাজাৰ টকাৰ পৰীক্ষা নিৰীক্ষা কৰাৰ পিছতো গল্ড ব্লাডাৰত কেন্সাৰ হোৱা বিষয়তো ফুটা কৰাৰ আগলৈ কিয় ধৰা নপৰিল সেয়াও ৰহস্যৰ বিষয়৷ যা নহওক বাইঅ'স্পি পৰীক্ষাৰ বাবে নমুনা লৈ পিছদিনা মহিলাগৰাকীক চিকিৎসালয়ৰপৰা ৰিলিজ কৰি দিয়া হয়৷ কিন্তু অপাৰেচনৰ নামত অভেল কৰ্তৃপক্ষই লোৱা ১৯৬০০ টকাৰ এটকাও ৰেজিয়া বেগমৰ পৰিয়ালক ওভতাই নিদিলে অভেল কৰ্তৃপক্ষই। এই সমগ্ৰ বিষয়টোৰ ন্যায়িক তদন্ত বিচাৰিছে অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদৰ কামৰূপ (গ্ৰাম্য)জিলা সমিতিয়ে৷ সমিতিৰ আহবায়ক জাষ্টিং চৌধুৰীয়ে এক বিবৃতিযোগে এই দাবী উত্থাপন কৰে৷ সংগঠনটোৱে অপাৰেচন নকৰাকৈ মহিলাগৰাকীৰ পৰিয়ালৰপৰা আদায় লোৱা ১৯৬০০ টকাটো ওভতাই দিব লাগে বুলি বিবৃতিটোত উল্লেখ কৰি আয়ুষ্মানখন যে সক্ৰিয় কৰা হল তাৰপৰা অভেলে কিমান টকা লাভ কৰিলে সেয়াও স্পষ্ট কৰিবলৈ অভেল কৰ্তৃপক্ষক আহ্বান জনায়৷ ছাত্ৰ সংগঠন টোৱে বিবৃতিটোত উল্লেখ কৰামতে মহিলাগৰাকীৰ পৰিয়ালে পৰীক্ষাৰ নামত নগদ প্ৰায় ১১ হাজাৰ টকা, অপাৰেচনৰ বাবে ১৯৬০০ টকা, অভেল কৰ্তৃপক্ষক দিছিল ৷ তদুপৰি ঔষধৰ পইচাও দিয়া হৈছিল অতিৰিক্তভাৱে৷ অপাৰেচন, ঔষধ, পৰীক্ষাৰ নামত যদি নগদ ধন অভেলক আদায় দিবই লাগে তেন্তে আয়ুষ্মানৰ কাম কি বুলিও সংগঠনটোৱে প্ৰশ্ন কৰে। আয়ুষ্মানে যদি অপাৰেচনৰ খৰচ বহন নকৰে, ঔষধৰ খৰছ বহন নকৰে, পৰীক্ষাৰ খৰচ বহন নকৰে তেন্তে আয়ুষ্মানে ৰোগীৰ কি খৰচ বহন কৰে সেয়া স্পষ্ট কৰিবলৈ অভেল কৰ্তৃপক্ষক আহবান জনাইছে৷ অন্যথা ভুক্তভোগী মহিলাগৰাকীৰ হৈ সংগঠনটোৱে ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলিও অভেল কৰ্তৃপক্ষক সোঁৱৰাই দিয়ে।

# হাতীগাঁৱৰ পৰা বাইক চুৰি কৰি নি নলবাৰীত জালত পৰিল কৌশিক, জাৰ্ছি

**ই-সংবাদ, ১৫ মাৰ্চঃ** নিৰাপত্তাৰক্ষীৰে গিজগিজাই থকা গুৱাহাটীৰ পৰা নিতৌ চুৰি হয় বাইক৷ এইবাৰ হাতীগাওঁ আৰক্ষী থানাৰ এলেকাৰ পৰা বাইক চুৰি কৰি নলবাৰীৰ চামতাত আৰক্ষীৰ জালত পৰিছে দুই চোৰ৷ চামতা আৰক্ষীয়ে পশ্চিম নলবাৰীৰ চামতাত দুই চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে৷ চামতা আৰক্ষী চকীৰ বিষয়া মানস প্ৰতিম নাথৰ নেতৃত্বত চলা অভিযানত দুখন চুৰি বাইক উদ্ধাৰৰ লগতে দুই চোৰ জালত পেলাবলৈ সক্ষম হয়৷ দুই চোৰক নলবাৰীৰ পিপলিবাৰীৰ কৌশিক মজুমদাৰ আৰু বাক্সা জিলাৰ মিছিমাপুৰৰ জাৰ্ছি বড়ো বুলি জানিব পৰা গৈছে। কৌশিক আৰু জাৰ্ছিয়ে চামতাৰ জামৰতলত ভাৰাতীয়া হিচাপে বসবাস কৰে। সময়ে সময়ে গুৱাহাটীলৈ আহি বাইক চুৰি কৰি নলবাৰীলৈ উধাও হয়৷ কৌশিক আৰু জাৰ্ছিক হাতীগাঁও আৰক্ষীয়ে চমজি লোৱা বুলি জানিব পৰা গৈছে।

# দিল্লীত কংগ্ৰেছ-আপৰ বিৰুদ্ধে পাকিস্তানী-আফগানিস্তানীৰ প্ৰতিবাদ

**নতুন দিল্লী, ১৫ মাৰ্চঃ** ‘কা’ৰ বিধি বলৱৎ কৰাৰ পাছতে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈছিল দুই বিৰোধী দল কংগ্ৰেছ আৰু আপ৷ আপে নিজ দেশৰ নিবনুৱাক সংস্থাপন দিব নোৱাৰা বিজেপিয়ে চুবুৰীয়া বিদেশী ৰাষ্ট্ৰ পৰা মানুহ আনি সংস্থাপন দিব বুলি প্ৰশ্ন কৰিছিল৷ আইন-শৃংখলা পৰিস্থিতি ভয়াবহ হ’ব পাৰে আশংকা কৰিছিল৷ তাৰ পাছতে আপ আৰু কংগ্ৰেছকৰ বিৰুদ্ধে সৰৱ হৈছে ভাৰতত বৰ্তমানেও শৰণাৰ্থী হিচাপে বসবাস কৰি থকা পাকিস্তানী আৰু আফগানিস্তানী শৰণাৰ্থীসকল৷ আজি পাকিস্তানী শৰণাৰ্থীসকলে দুয়ো দলৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে৷ বিভিন্ন শ্ল’গান প্ৰদান কৰি পাকিস্তান আৰু আফগানিস্তানৰ শৰণাৰ্থীয়ে৷ আৰক্ষীৰ নিৰাপত্তাত প্ৰতিবাদ সাব্যস্ত কৰে শৰণাৰ্থীসকলে৷ ‘কা’ক লৈ ইণ্ডি মিত্ৰজোঁটৰ নেতাৰ মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰি শৰণাৰ্থীসকলে কংগ্ৰেছ কাৰ্যালয়ত প্ৰৱেশৰ চেষ্টা কৰিছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এটা সাক্ষাৎকাৰত স্পষ্টকৈ কয় যে চিএএ আইন কেতিয়াও প্ৰত্যাহাৰ কৰা নহয়। দেশত



ভাৰতীয় নাগৰিকত্ব নিশ্চিত কৰাটো আমাৰ সাৰ্বভৌম অধিকাৰ আৰু আমি কেতিয়াও আপোচ নকৰো। চিএএ মোদী চৰকাৰে আনিছে প্ৰত্যাহাৰ কৰাটো অসম্ভৱ আছিল। বিৰোধী নেতাসকলক তোষণৰ ৰাজনীতি কৰাৰ অভিযোগ আনে৷ নাগৰিকত্ব সংশোধনী আইন বলৱৎ হোৱাৰে পৰা শাসকীয় দল বিজেপি আৰু বিৰোধী ৰাজনৈতিক দলৰ মাজত বাকযুদ্ধ তুংগত উঠিছে। বুধবাৰে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দিল্লীত আশ্ৰয় লৈ থকা পাকিস্তান আৰু আফগানিস্তানৰ হিন্দু আৰু শিখ শৰণাৰ্থীসকলক পোনপটীয়াকৈ আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। দিল্লীৰ মুখ্যমন্ত্ৰীৰ আক্ৰমণৰ পাছতে আজি দিল্লীত কেজৰিৱালৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে হিন্দু আৰু শিখ শৰণাৰ্থীসকলে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে শৰণাৰ্থীসকলক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয়৷ অৰবিন্দ কেজৰিৱালে কয় ‘এই পাকিস্তানীসকলৰ সাহস চাওক? প্ৰথমে তেওঁলোকে আমাৰ দেশত অবৈধভাৱে অনুপ্ৰৱেশ কৰিছে৷ আমাৰ দেশৰ আইন ভংগ কৰিছে। তেওঁলোক কাৰাগাৰত থাকিব লাগিছিল। তেওঁলোকে আমাৰ দেশত প্ৰতিবাদ কৰিবলৈ আৰু হুলস্থুল সৃষ্টি কৰিবলৈ সাহস কৰিছে? চি.এ.এ. অহাৰ পাছত পাকিস্তানী আৰু বাংলাদেশীসকলে সমগ্ৰ দেশতে বিয়পি পৰিব আৰু মানুহক হাৰাশাস্তি কৰিব। বিজেপিয়ে তেওঁলোকক ভোট বেংক কৰাৰ স্বাৰ্থত সমগ্ৰ দেশক সমস্যাৰ সন্মুখীন কৰিছে।

# আহোমৰ পোছাক পিন্ধিবলৈ লাজ কৰা গৌৰৱ গগৈয়ে ঈদৰ দিনা টুপী পিন্ধে!

## সাংসদ গৌৰৱক লৈ এইবাৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ বিতৰ্কিত মন্তব্য

**ই-সংবাদ, ১৫ মাৰ্চঃ** কংগ্ৰেছে ১২টা লোকসভা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিছে যদিও শাসকীয় বিজেপিৰ নেতাৰ আক্ৰমণৰ লক্ষ্য হৈ পৰিছে যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তথা সাংসদ গৌৰৱ গগৈ৷ বিজেপিৰ প্ৰতিগৰাকী নেতাই গৌৰৱ গগৈক লক্ষ্য কৰি লৈছে৷ ইমানে নহয় দুই এজন সাংবাদিকেও গৌৰৱ গগৈক সমালোচনা কৰা দেখা গৈছে৷ এইবাৰ গৌৰৱ গগৈক কটাক্ষ কৰিছে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই৷ প্ৰয়াত পিতৃৰ নামত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অভিযোগ আনে জয়ন্তমল্ল বৰুৱাই। গৌৰৱ গগৈৰ সৈতে কি হ’ব, মই নাজানো, কিন্তু এইবাৰ গৌৰৱ গগৈয়ে প্ৰয়াত তৰুণ গগৈৰ নামৰ পৰিৱৰ্তে নিজৰ নামত নিৰ্বাচন খেলক। এতিয়ালৈ পিতৃৰ নামত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি আহিছে গৌৰৱে৷ জয়ন্তমল্ল বৰুৱাই আৰু কয় যে কেৱল হিন্দীত কথা ক’ব পাৰিলে আৰু অসম পৰম্পৰাৰ পৰা নিজকে নিলগাই ৰাখি ৰাজ্যক প্ৰতিনিধিত্ব কৰিলে নহ’ব। অসমৰ সংস্কৃতি আৰু ভাষা বুজাত গুৰুত্ব দিব লাগিব৷ আহোমৰ সাজ পিন্ধিবলৈ লাজ কৰা গৌৰৱ গগৈয়ে ঈদৰ দিনা টুপী পিন্ধি বহি থাকে বুলিও দাবী কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই৷ অসমত যদি এজন অসমীয়াই সঠিকভাৱে অসমীয়া ক’ব নাজানে, তেন্তে অসমৰ সংস্কৃতি আৰু পৰম্পৰা কি বুজি পাব বুলিও তেওঁ প্ৰশ্ন কৰে৷ দিল্লীত থাকি হিন্দী ক’ব পাৰিলে কাৰোবাক অসমৰ ভাল ৰাজনীতিবিদ বুলি প্ৰতিপন্ন নকৰে বুলিও কয় জয়ন্তমল্ল বৰুৱাই৷ উল্লেখ্য যে গৌৰৱ গগৈক কংগ্ৰেছে যোৰহাটত প্ৰক্ষেপ কৰাৰ পিছতে এতিয়া গৌৰৱক পৰাভূত কৰিবলৈ উঠিপৰি লাগিছে শাসকীয় বিজেপি। সেয়ে এজনৰ পিছত আনজন বিজেপি নেতাই এইদৰে লক্ষ্য কৰি লৈছে বৰ্তমান কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক।

# মৰিগাঁও জিলাত ৭ টা ভাষাত গোৱা 'নিৰ্বাচনী শীৰ্ষ গীত' মুকলি

## নিৰ্বাচনী টেগলাইন মুকলি, শুভংকৰ 'অমূল্য' উন্মোচন

**ই-সংবাদ, লাহৰীঘাট, ১৫ মাৰ্চঃ** মৰিগাঁৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত আজি মৰিগাঁও জিলা প্ৰশাসন আৰু নিৰ্বাচন বিভাগৰ জিলা স্বিপ (সুব্যৱস্থিত ভোটাৰ শিক্ষা আৰু নিৰ্বাচকৰ অংশগ্ৰহণ) কোষৰ উদ্যোগত ভোটাৰ সজাগতামূলক এটা শীৰ্ষ গীত, নিৰ্বাচনী টেগলাইন আৰু নিৰ্বাচনী শুভংকৰ উন্মোচন কৰা হয়। মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে জিলাখনৰ নিৰ্বাচনী শুভংকৰ "অমূল্য" উন্মোচন কৰাৰ লগতে মৰিগাঁৰৰ জ্যেষ্ঠ সাংবাদিক তথা নাগৰিক প্ৰতাপ হাজৰিকাই নিৰ্বাচনী টেগলাইন "আমাৰ ভোট অমূল্য ভোট" আৰু শীৰ্ষ গীতটি উন্মোচন কৰে। উল্লেখ্য যে ভোটাৰ সজাগতাৰ বাবে আজি মুকলি কৰা শীৰ্ষ গীতটি অসমীয়া, হিন্দী, কাৰ্বি, বড়ো, নেপালী, তিৱা আৰু বাংলা মুঠ ৭ টা ভাষাত মৰিগাঁও জিলাৰ স্থানীয় শিল্পী আৰু কলা-কুশলীৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। "ভাৰতৰ গৰ্ব ভাৰতৰ শৌৰ্য, জনতাৰ মন্দিৰ এই গণতন্ত্ৰ" শীৰ্ষক গীতটিৰ সামগ্ৰিক পৰিকল্পনা জিলা নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ। আনহাতে মৰিগাঁও জিলাৰ আহঁতগুৰি আৰু অন্যান্য ঠাইৰ ঐতিহ্যপূৰ্ণ ম'হযুঁজ আৰু পবিতৰা অভয়াৰণ্যত বিভিন্ন প্ৰজাতিৰ ম'হৰ উপস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ জিলাখনত নিৰ্বাচনী শুভংকৰ হিচাপে ম'হ লোৱা হৈছে। "অমূল্য" নামৰ এই শুভংকৰক ভোটাৰ সজাগতাৰ বাবে নিৰ্বাচনী প্ৰতীক হিচাপে লোৱা হৈছে। স্বীপ কোষৰ জিলা নডেল বিষয়া প্ৰিয়ংকা গগৈয়ে আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে ভোটদান কেৱল এটা অধিকাৰ নহয়, বৰং এটা মহা-উৎসৱ। দেশৰ প্ৰতিজন নাগৰিকে নিজৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰি এই উৎসৱত ভাগ লোৱা উচিত বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে এইবাৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। তেওঁ কয় যে ভোটদানত অংশ নলওঁ বুলি আঁতৰি থকাটো দায়বদ্ধতা নহয়; নিজে এখন গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে যোগ্য প্ৰতিনিধি বাচনি কৰাটোহে প্ৰকৃত দায়িত্ব আৰু কৰ্তব্য। অনুষ্ঠানত দিয়া ভাষণত জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই কয় যে গীতৰ জৰিয়তে এটা ধাৰণা উপস্থাপন কৰা আৰু সজাগতা সৃষ্টি কৰাটো এটা ডাঙৰ কথা। তেওঁ কয় যে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো শব্দ সপ্ত স্বৰত সুৰাৰোপিত হৈ আছে। তেওঁ আজি মুকলি কৰা নিৰ্বাচনী শীৰ্ষ গীতটি আৰু ইয়াৰ সুৰে মানুহক আকৰ্ষিত কৰিব বুলি মত প্ৰকাশ কৰে। তেওঁ পল ৰবছন, বিথোভেন, ভূপেন হাজৰিকা, জ্যোতি, বিষ্ণুৰ পৰা পাপন, জুবিন গাৰ্গলৈকে প্ৰতিগৰাকী শিল্পীৰ নিজা শৈলীৰ কথা উল্লেখ কৰে, যি শৈলীৰ বাবে মানুহে তেওঁলোকৰ গীতসমূহক আঁকোৱালি লৈ হৃদয়ত স্থান দিছে। নতুন প্ৰজন্মৰ মাজত যথেষ্ট সম্ভাৱনা লুকাই আছে বুলি তেওঁ লগতে কয়। আনহাতে নিৰ্বাচনক ভাৰতৰ এটা জাতীয় উৎসৱ বুলি উল্লেখ কৰি তেওঁ কয় যে জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে প্ৰতিগৰাকী যোগ্য নাগৰিকে এই জাতীয় উৎসৱত ভাগ লোৱা উচিত। অনুষ্ঠানত শুভংকৰ উন্মোচন কৰি আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে কয় যে সমাজৰ প্ৰতিগৰাকী যোগ্য নাগৰিকে ভোটদানক এটা দায়িত্ব হিচাপে গণ্য কৰিব লাগে। এই ক্ষেত্ৰত জিলা নিৰ্বাচন বিভাগে সজাগতা সৃষ্টিৰ বাবে চলোৱা প্ৰয়াসৰ তেওঁ শলাগ লয় আৰু সকলোকে ভোটদান কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা আৰু বিমান দাস, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল আৰু ৰাইজ উপস্থিত আছিল।

# 'কা'ৰ বিৰুদ্ধে ওদালগুৰিত আছুৰ সত্যাগ্ৰহ

**ই-সংবাদ, ওদালগুৰি, ১৫ মাৰ্চঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানমৰ্মে সমগ্ৰ ৰাজ্যৰ লগতে ওদালগুৰিতো আজি নাগৰিকত্ব সংশোধনী আইন বিৰোধী সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ নেতৃত্বত উলিওৱা এই সত্যাগ্ৰহ কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে 'কা' আমি নামানো, অসম চৰকাৰ হায় হায়, হিমন্ত বিশ্ব মুৰ্দাবাদ, 'কা' অসমীয়াই




নামানে, কেন্দ্ৰীয় চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায় শ্লোগানেৰে প্ৰতিবাদী সমদলটি উত্তপ্ত কৰি তোলে। আজিৰ এই সত্যাগ্ৰহ কাৰ্যসূচীতো আৰক্ষীৰ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে চহৰখনৰ বিভিন্ন স্থান ভ্ৰমণ কৰে। সত্যাগ্ৰহ কাৰ্যসূচীত ওদালগুৰি, ৰৌতা, হৰিশিঙা, টংলা আৰু কলাইগাওঁসহ কেইবাখনো আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰায় দুই শতাধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে।

শেষ পৃষ্ঠা

# এঞ্জিঅ'প্লাষ্টি প্ৰক্ৰিয়াৰে চিকিৎসাৰ অন্তত ঘৰলৈ বিগ-বি



**মুম্বাই, ১৫ মাৰ্চঃ** বলিউদৰ মহানায়ক অমিতাভ বচ্চনক আজি পুৱা চিকিৎসালয়ত ভৰ্তি কৰাবলগীয়া হয়। মুম্বাইৰ ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও বিশেষ চিকিৎসাৰ অন্তত সন্ধিয়া ঘৰলৈ যাব দিয়া হয়৷ অভিনেতাজনে চিকিৎসালয়ৰ পৰা অব্যাহতি পোৱাৰ পাছতে ঘৰলৈ যায়। পুৱাই অমিতাভৰ হৃদযন্ত্ৰত কিছু সমস্যা হয়৷ ভৰিৰ ধমনীত তেজ গোট মাৰিবলৈ আৰম্ভ কৰিছিল। সেইকাৰণে চিকিৎসকসকলে এঞ্জিওপ্লাষ্টি পদ্ধতিৰে চিকিৎসা কৰাৰ সিদ্ধান্ত লোৱা হয়৷ 'এঞ্জিও' শব্দটোৰ অৰ্থ হৈছে ৰক্ত নলী আৰু 'প্লাষ্টি'ৰ অৰ্থ হৈছে ফুটা কৰা। এঞ্জিওপ্লাষ্টি হৈছে হৃদৰোগৰ বাবে এক বহুল ভাৱে ব্যৱহৃত চিকিৎসা প্ৰক্ৰিয়া। যেতিয়া ধমনীৰ ভিতৰৰ ফালে 'প্লেক' জমা হয় তেতিয়া বন্ধ ধমনী এঞ্জিওপ্লাষ্টি প্ৰক্ৰিয়াৰে খুলি দিয়া হয়। তেজত অতিৰিক্ত কলেষ্টেৰলৰ ফলত 'প্লেক' গঠন হয়। এঞ্জিওপ্লাষ্টিৰ পাছত ৰোগীজনক আৰোগ্য হ'বলৈ সাধাৰণতে তিনিৰ পৰা ছয় সপ্তাহ সময় লাগে। অৱশ্যে, সকলোবোৰ ৰোগীৰ বয়স আৰু কোনো দীৰ্ঘম্যাদী ৰোগ আছে নে নাই তাৰ ওপৰত নিৰ্ভৰ কৰে। অৱশ্যে, অস্ত্ৰোপচাৰৰ পাছত ৰোগীক সাধাৰণতে ৩ মাহৰ বাবে বিশ্ৰাম ল'বলৈ কোৱা হয়৷ অমিতাভৰ বয়স ৮১ বছৰ। অনুৰাগীসকল ইয়াকে লৈ চিন্তিত যে তেওঁ কিমান সোনকালে সুস্থ হ'ব আৰু কামলৈ উভতি আহিব পাৰিব। চিকিৎসকসকলে অমিতাভক ঘৰত জিৰণি ল'বলৈ পৰামৰ্শ দিছে


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243
ADMISSION GOING ON

বৰবালি জাতীয় বিদ্যালয়
(ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল)
স্থাপিত ঃ ২০১১, বৰবালি ঃ হোজাই ঃ অসম ঃ পিন - ৭৮২৪৮১
২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে নামভৰ্তিকৰণ চলি আছে





অধিক তথ্যৰ বাবে যোগাযোগ কৰক - 7002516142, 8638689413, 7896861155

এইবাৰ নতুন ৰূপত আপোনাৰ গাইডেন্স
গুণগত শিক্ষাৰ প্ৰতিশ্ৰুতি আৰু নতুন উদ্যমেৰে আপোনাৰ পদূলি গাইডেন্স
GUIDANCE SENIOR SECONDARY SCHOOL
২০২৪-২৫ শিক্ষাবৰ্ষ নামভৰ্ত্তি চলি আছে
অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ
An Institute of Quality Education
Run by:- HDSW Society
Salient Features
- Well Trained Qualified Teachers.
- Healthy & Peaceful Environment.
- Scholarship for Meritonious Students.
- Transport Facility.
- PD & Spoken English.
- Free Health Chek up.
- Free Computer Education.

প্ৰতিটো ক্লাছত আসন মাত্ৰ ৩০
Murajhar (Ruhini Pathe) Hojai ✆8876310103 / 9678015016




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান